**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI

**Date :** 22-11-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যত চলি থকা বিভিন্ন ঘাইপথ প্ৰকল্পৰ অগ্ৰগতি সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে বৈঠকত মিলিত হয়। বিভিন্ন সংস্থাৰ দ্বাৰা ৰূপায়ণ কৰা ৫৭টা মুখ্য ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণকৰণ সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকল্পসমূহৰ কাম ত্বৰান্বিত কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আহ্বান জনায়। এই বৈঠকতে যোৰহাট, ডিব্ৰুগড় ঘাইপথৰ নিৰ্মাণ শীঘ্ৰে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। কাজিৰঙা এলিভেটেড কৰিড'ৰ, বাইহাটা চাৰিআলি-তেজপুৰ ঘাইপথ সম্প্ৰসাৰিত চাৰিলেনযুক্তকৰণ, কমলাবাৰী আৰু নিমাতীঘাট সংযোগী মাজুলী দলঙৰ পুনৰ নিবিদা সন্দৰ্ভতো আলোচনা কৰা হয়। ইয়াৰ লগতে ব্ৰহ্মপুত্ৰৰ তলেৰে গহপুৰ-নুমলীগড় সুৰংগৰ নিৰ্মাণৰ অগ্ৰগতি সন্দৰ্ভতো বৈঠকত আলোচনা হয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে অসমৰ সাংসদসকলে এই বৈঠকত অংশ লয়।

উল্লেখযোগ্য যে কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে কালি নতুন দিল্লীত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত চলি থকা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পসমূহৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বৈঠকত এই প্ৰকল্পসমূহ নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে এই প্ৰকল্পসমূহৰ ৰূপায়ণে উত্তৰ পূৰ্বাঞ্চলত পৰিবহন আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক বাস্তৱায়িত কৰিব।

0000000

ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাই আজি ২৭ অক্টোবৰত হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অন্তিম পৰ্যায় সন্দৰ্ভত জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে আলোচনাত মিলিত হয়। ২৭ অক্টোবৰত পুৱা চাৰে ৯ বজাৰ পৰা চাৰে ১১ বজালৈ এহেজাৰ ৪৮৪টা আৰু দিনৰ ডেৰ বজাৰ পৰা বিয়লি ৪ বজালৈ ৮০৮টা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব। এই পৰীক্ষাত মুঠ ৮ লাখ ২৭ হাজাৰ ১৩০ গৰাকী প্ৰাৰ্থীয়ে অৱতীৰ্ণ হ'ব।

চতুৰ্থ বৰ্গৰ পদৰ নিযুক্তি পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ লক্ষ্যৰে জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। **কোকৰাঝাৰ** জিলা প্ৰশাসনে এই পৰীক্ষাৰ বাবে কেইবাটাও নিৰ্দেশনা জাৰি কৰে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত পৰীক্ষাৰ দিনটো জিলাখনৰ বজাৰসমূহ বন্ধ ৰাখিবলৈ জিলা প্ৰশাসনে নিৰ্দেশ দিছে। একেদৰে **শোণিতপুৰ** জিলা প্ৰশাসনেও সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰি নিৰ্দেশনা জাৰি কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত পৰীক্ষা কেন্দ্ৰৰ পৰা ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত পৰীক্ষাৰ্থী আৰু পৰীক্ষাৰ কৰ্তব্যত নিয়োজিত কৰ্মচাৰীৰ বাহিৰে অন্য লোকৰ প্ৰৱেশত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। জিলা প্ৰশাসনে এই সময়ছোৱাত পৰীক্ষা কেন্দ্ৰৰ চৌহদত মোবাইল, কেলকুলেটৰ আদিৰ ব্যৱহাৰ তথা পৰীক্ষা কেন্দ্ৰৰ কাষত বাহন পাৰ্কিং আৰু খাদ্যৰ দোকান খোলাৰ ক্ষেত্ৰত কঠোৰ নিষেধাজ্ঞা জাৰি কৰিছে। জিলা প্ৰশাসনৰ এই নিৰ্দেশনা ২৭ অক্টোবৰৰ পুৱা ৬ বজাৰ পৰীক্ষা সমাপ্তি নোহোৱালৈকে বলৱৎ থাকিব।

0000000

বৰপেটা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ এখন জৰুৰী সভা জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। এই সভাত দুৰ্যোগৰ সময়ত ক্ষিপ্ৰতাৰে ল'বলগীয়া সিদ্ধান্ত আৰু গ্ৰহণ কৰিবলগীয়া অন্যান্য ব্যৱস্থা সম্পৰ্কে আলোচনা কৰা হয়। এই বৈঠকত ৰাজ্যিক দুৰ্যোগ প্ৰতিৰোধ পুঁজি চমুকৈ এছ ডি আৰ এফ আৰু ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজিৰ প্ৰস্তাৱসমূহত অনুমোদন জনোৱাৰ লগতে দুৰ্যোগ ব্যৱস্থাপনা বিষয়ত বিতংভাৱে আলোচনা কৰা হয়। বৈঠকখনত লগতে জিলাখনত দুৰ্যোগৰ সময়, সুৰক্ষা আৰু প্ৰস্তুতি সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়াৰ উপৰি সাহায্য অভিযানৰ সৈতে জড়িত কামসমূহ সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়া হয়। বৈঠকত জিলা আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, চক্ৰ বিষয়াসকল, বিভিন্ন বিভাগৰ মুৰববীসকল আৰু কেইবাগৰাকী বিধায়কে অংশগ্ৰহণ কৰে।

০০০০০০০

যুৱ উদ্যমীসকলক আত্মনিৰ্ভৰশীল কৰি তোলাৰ লগতে বহনক্ষম আৰ্থিক উন্নয়নৰ ভেটি সমৃদ্ধিশালী কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে আৰ্থিক অনুদান প্ৰদানৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি কৃষিমন্ত্ৰী অতুল বৰাই আজি পশুপালন আৰু পশু চিকিৎসা বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ উপস্থিতিত গুৱাহাটীত এখন বৈঠকত মিলিত হয়। বৈঠকত গ্ৰাম্য অৰ্থনীতিৰ ভেটি টনকিয়াল কৰাৰ বাবে পশুপালন আৰু দুগ্ধখণ্ডত মনোনিৱেশ কৰা যুৱক-যুৱতীসকলক সহায়-সহযোগিতা প্ৰদানৰ প্ৰয়োজনীয়তা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়। ৰাষ্ট্ৰীয় গকুল মিছন, হাঁহ-কুকুৰা উদ্যমীৰ বাবে সহযোগিতা আৰু সুযোগ সৃষ্টি কাৰ্যসূচীকে ধৰি বিভিন্ন পদক্ষেপৰ শেহতীয়া অগ্ৰগতিৰ বিষয়ে বৈঠকত পৰ্যালোচনা কৰা হয়। ইয়াৰ উপৰি সমন্বিত নমুনা জৰীপৰ সমান্তৰালকৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অন্যান্য আঁচনিসমূহৰ বিষয়েও বৈঠকত মূল্যায়ন কৰা হয়। হাঁহ-কুকুৰা পালন, গাহৰি পালন, ছাগলী পালন আৰু দুগ্ধ উৎপাদনৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডৰ বৰ্তমানৰ স্থিতি সন্দৰ্ভত কৃষি মন্ত্ৰীগৰাকীয়ে পৰ্যালোচনা কৰে। ৰাজ্যত অহা ১ নৱেম্বৰৰ পৰা মুকলি হ'বলগীয়া পশুধন গণনা কাৰ্যসূচীৰ প্ৰস্তুতি, পশুধনৰ কৃত্ৰিম প্ৰজনন, দুগ্ধ সংসাধন উদ্যোগসমূহৰ শেহতীয়া স্থিতিৰ বিষয়েও বৈঠকত পৰ্যালোচনা কৰা হয়। কৃষি মন্ত্ৰীগৰাকীয়ে বৈঠকত ভিতৰুৱা অঞ্চলত ভ্ৰাম্যমান পশু চিকিৎসা ইউনিটৰ সুকলমে প্ৰয়োগ কৰাৰ লগতে পৰ্যাপ্ত পশু চিকিৎসক আৰু ঔষধ উপলব্ধ থকাটো নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। তদুপৰি টীকাকৰণ অভিযানৰ জৰিয়তে পশুধনৰ ৰোগ নিয়ন্ত্ৰণৰ বিষয়েও বৈঠকখনত আলোচনা কৰা হয়। তেওঁ বৈঠকত পশুধনসমূহৰ সুস্বাস্থ্য নিশ্চিতকৰণৰ জৰিয়তে পশুপালন খণ্ডৰ সৰ্বাংগীন উন্নয়ন সাধন কৰাৰ বাবে টীকাকৰণৰ নিৰ্ধাৰিত লক্ষ্য নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক আহ্বান জনায়।

০০০০০০০

**সমাপ্ত**